**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 23-04-2025
**Time :** 0900 Hrs

***Assamese Morning Bulletin***
***Headlines***
**--------------------**

০০০০০০

১। সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে জম্মু-কাশ্মীৰত নিশ্চিদ্ৰ সুৰক্ষা ব্যৱস্থা। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ ছৌদি আৰৱ ভ্ৰমণ আধাতে সামৰি ভাৰতলৈ প্ৰত্যাৱৰ্তন। বিমানবন্দৰতে প্ৰধানমন্ত্ৰীৰ উচ্চস্তৰীয় বৈঠকত অংশগ্ৰহণ।

২। আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিয় গোটেৰেছকে ধৰি বিশ্বনেতাসকলৰ সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা।

৩। আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ প্ৰচাৰ অভিযান তীব্ৰতৰ।

৪। ৰাজ্যত বিগত ১০ বছৰত বনানীকৰণৰ বাবদ ৪২০ কোটিৰো অধিক টকা ব্যয় কৰা হৈছে বুলি বন বিভাগৰ তথ্য প্ৰকাশ। **আৰু**

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কালি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছৰ বিৰুদ্ধে দেলহি কেপিটেলছৰ ৮ উইকেটত জয়লাভ।

০০০০০০

জম্মু-কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগামত সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে কেন্দ্ৰীয়শাসিত অঞ্চলটোত সুৰক্ষা ব্যৱস্থা কটকটীয়া কৰি তোলা হৈছে। পহলগামৰ আক্ৰমণ সংঘটিত হোৱা এলেকাত সেনা, নিৰাপত্তাবাহিনী আৰু জম্মু-কাশ্মীৰ আৰক্ষীয়ে স্নিফাৰ ড'গৰ সহযোগত অভিযান চলাই আছে। ৰাষ্ট্ৰীয় তদন্ত সংস্থাই- এন আই এয়ে এই সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ তদন্ত কৰিব। ইতিমধ্যে এন আই এৰ এটা দল জম্মু-কাশ্মীৰত উপস্থিত হৈছে।

ইপিনে সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী তেওঁৰ ছৌদি আৰৱ ভ্ৰমণ আধাতে সামৰি ভাৰতলৈ ঘূৰি আহিছে। শ্ৰীমোদীয়ে দিল্লীৰ বিমানবন্দৰতে বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভাল, বিদেশ সচিব বিক্ৰম মিশ্ৰী আৰু অন্যান্য বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ বৈঠকত মিলিত হৈ শেহতীয়া পৰিস্থিতিৰ বুজ লয়।

সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাৰ পাছতে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে যোৱা নিশা শ্ৰীনগৰত শীৰ্ষ বিষয়াসকলৰ সৈতে এখন উচ্চ পৰ্যায়ৰ পৰ্যালোচনা বৈঠকত মিলিত হয়। গৃহমন্ত্ৰীগৰাকীয়ে আজি উপ-ৰাজ্যপাল মনোজ সিনহাৰ সৈতে সন্ত্ৰাসবাদী আক্ৰমণৰ এলেকাটো পৰিদৰ্শন কৰিব। তেওঁ লগতে এই আক্ৰমণৰ প্ৰত্যক্ষদৰ্শীৰ সৈতে কথা-বতৰা হোৱাৰ লগতে চিকিৎসাধীন অৱস্থাত থকা আহতসকলৰ স্বাস্থ্যৰ বুজ লোৱাৰ সম্ভাৱনা আছে।

 উল্লেখযোগ্য যে শ্ৰীনগৰৰ পৰা প্ৰায় ৮৫ কিলোমিটাৰ নিলগৰ দক্ষিণ কাশ্মীৰৰ অনন্তনাগ জিলাৰ পহলগামৰ বেইচৰণ বনাঞ্চলত কালি সন্ত্ৰাসবাদীৰ আক্ৰমণত দুজন বিদেশী পৰ্যটক আৰু দুজন কাশ্মীৰী লোককে ধৰি ২৬ জন পৰ্যটকৰ মৃত্যু হয়।

পহলগামৰ এই সন্ত্ৰাসবাদী আক্ৰমণৰ প্ৰতিবাদ জনাই জম্মু-কাশ্মীৰ ব্যৱসায় আৰু বাণিজ্য সংগঠনসমূহে আজি কাশ্মীৰ বন্ধ ঘোষণা কৰিছে। আমাৰ জম্মুৰ সংবাদদাতাই প্ৰকাশ কৰা অনুসৰি ভালেমান ধৰ্মীয় সংস্থাইও এই বন্ধৰ সমৰ্থন কৰিছে।

০০০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি ড'নাল্ড ট্ৰাম্প, ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিয় গোটেৰেছকে ধৰি বিশ্বনেতাসকলে এই সন্ত্ৰাসবাদী আক্ৰমণৰ ঘটনাক তীব্ৰ গৰিহণা দিছে। শ্ৰীট্ৰাম্পে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী  তথা ভাৰতবাসীলৈ গভীৰ সমবেদনা আৰু পূৰ্ণ সমৰ্থন ব্যক্ত কৰিছে।  শ্ৰীমোদীৰ সৈতে ফোনযোগে হোৱা কথা-বতৰাত ৰাষ্ট্ৰপতিগৰাকীয়ে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজত ভাৰতৰ সৈতে আমেৰিকা যুক্তৰাষ্ট্ৰৰ শক্তিশালী সমৰ্থন আছে বুলি প্ৰকাশ কৰে।

ৰাষ্ট্ৰসংঘৰ সচিবপ্ৰধান এণ্ট'নিয় গোটেৰেছে নিৰীহ জনসাধাৰণৰ ওপৰত চলোৱা এই আক্ৰমণ কোনো কাৰণতেই গ্ৰহণযোগ্য নহয় বুলি উল্লেখ কৰিছে।

ৰাছিয়াৰ ৰাষ্ট্ৰপতি ভ্লাডিমিৰ পুটিনে এই আক্ৰমণক লৈ ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীলৈ সমবেদনা জ্ঞাপন কৰিছে।

ইটালীৰ প্ৰধানমন্ত্ৰী জৰ্জিয়া মেল'নিয়েও পহলগামৰ দুখজনক ঘটনাক লৈ গভীৰ শোক প্ৰকাশ কৰিছে।

সংযুক্ত আৰব আমিৰী ৰাষ্ট্ৰ আৰু ইৰাণেও এই সন্ত্ৰাসবাদী আক্ৰমণক কঠোৰভাৱে নিন্দা কৰিছে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত ভাৰতত থকা ইৰাণৰ দূতাবাসে ভাৰত চৰকাৰ তথা দেশৰ জনসাধাৰণলৈ আন্তৰিক সমবেদনা জ্ঞাপন কৰিছে।

ইপিনে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে পহলগামত পৰ্যটকক সন্ত্ৰাসবাদীৰ আক্ৰমণৰ ঘটনাক গৰিহণা দিছে। এই ঘটনাক অতি দুখঃজনক আৰু অমানৱীয় বুলি অভিহিত কৰি ৰাষ্ট্ৰপতি মুৰ্মুৱে কয়, যে নিৰ্দোষী নাগৰিকক আক্ৰমণ কৰাটো অতি ভয়াবহ আৰু অক্ষমনীয় কাৰ্য। শ্ৰীমতী মুৰ্মুৱে এই আক্ৰমণত প্ৰাণ হেৰুওৱা লোকসকলৰ নিকটাত্মীয়লৈ সমবেদনা জ্ঞাপন কৰাৰ লগতে আহতসকলৰ আশু আৰোগ কামনা কৰে।

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড়ে এটা বাৰ্তাত এনে ধৰণৰ হিংসাত্মক ঘটনা অতি নিন্দনীয় বুলি উল্লেখ কৰে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই বৰ্বৰ আক্ৰমণৰ আঁৰত থকা লোকসকলক ৰেহাই দিয়া নহ'ব আৰু ইয়াৰ ভুক্তভোগীসকলক ন্যায় দিয়া হ'ব বুলি মত প্ৰকাশ কৰে।

০০০০০০

ৰাজ্যত আসন্ন পঞ্চায়ত নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলে প্ৰচাৰ অভিযান তীব্ৰ কৰি তুলিছে। শাসকীয় মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ হৈ বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ডং হিমন্ত বিশ্ব শৰ্মা, বিজেপিৰ ৰাজ্যিক সভাপতি দিলীপ শইকীয়া, কেন্দ্ৰীয় মন্ত্ৰী তথা দলৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱাল, অগপৰ সভাপতি অতুল বৰাকে ধৰি বিভিন্নজনে দলীয় প্ৰাৰ্থীৰ সমৰ্থনত নিৰ্বাচনী প্ৰচাৰ চলাইছে। একেদৰে কংগ্ৰেছ দলৰ হৈ দলৰ সভাপতি ভূপেন কুমাৰ বৰা, সাংসদ গৌৰৱ গগৈকে ধৰি শীৰ্ষ নেতাসকলে প্ৰচাৰ চলাই আছে।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব **শৰ্মাই** কালি **চৰাইদেউ** জিলাৰ লাকুৱাত এখন জনসভাত অংশ লয়। শিৱসাগৰ আৰু চৰাইদেউ জিলাৰ ভালেসংখ্যক লোকে এই সভাত অংশগ্ৰহণ কৰে।

ৰাজ্যিক বিজেপিৰ সভাপতি দিলীপ শইকীয়াই **বৰাকত** দুদিন প্ৰচাৰ চলোৱাৰ পাছত কালি গোলাঘাট জিলাৰ খুমটাই সমষ্টিৰ অন্তৰ্গত মৰঙি আৰু নামবৰ জিলা পৰিষদত নিৰ্বাচনী প্ৰচাৰ চলায়। মন্ত্ৰী নন্দিতা গাৰ্লোচা আৰু খুমটাইৰ বিধায়ক মৃণাল শইকীয়াই সভাপতিগৰাকীৰ সৈতে প্ৰচাৰ সভাত ভাগ লয়। আজি তেওঁ শোণিতপুৰ আৰু গহপুৰত নিৰ্বাচনী প্ৰচাৰ চলাব। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰাই কালি **গোলাঘাট** জিলাত প্ৰচাৰ সভাত অংশ লৈ বিগত সময়ছোৱাত বিজেপি মিত্ৰজোঁট চৰকাৰখনে জনসাধাৰণৰ কল্যাণৰ ক্ষেত্ৰত গ্ৰহণ কৰা বিভিন্ন পদক্ষেপসমূহত আলোকপাত কৰে। কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা সৰ্বানন্দ সোণোৱালে আজি **শদিয়া, লখিমপুৰ** আৰু **জোনাই**ত প্ৰচাৰ চলাব। কালি মন্ত্ৰীগৰাকীয়ে **তিনিচুকীয়া**ত প্ৰচাৰ চলায়। জিলাখনৰ ৭ খন আঞ্চলিক পঞ্চায়ত, ২২ খন জিলা পৰিষদ, ৮৬ খন গাঁও পঞ্চায়ত আৰু ৮৮৬ টা ৱাৰ্ডৰ বাবে এহেজাৰ ৭৮ টা ভোটগ্ৰহণ কেন্দ্ৰত ৫ হাজাৰ বিষয়া-কৰ্মচাৰী নিয়োগ কৰা হৈছে। নিৰ্বাচনী প্ৰক্ৰিয়াৰ সকলো দিশ জিলা আয়ুক্তই তদাৰক কৰাৰ লগতে সম জিলা আয়ুক্তৰ কাৰ্যালয়ৰ অধীনত নিৰ্বাচনৰ কামত নিযুক্ত বিষয়াসকলক দায়িত্বভাৰ গতাই দিয়া হৈছে। জিলাখনত পঞ্চায়ত নিৰ্বাচন সন্দৰ্ভত এয়া আমাৰ সংবাদদাতা মনোৰঞ্জন মৰাণ –

**-বাইট-**

**ধেমাজি** জিলাত কালি যোৰহাট লোকসভা সমষ্টিৰ সাংসদ গৌৰৱ গগৈ আৰু প্ৰদেশ কংগ্ৰেছৰ ৰাজ্যিক সভাপতি ভূপেন বৰাই বৰদলনিৰ বৰবামত প্ৰচাৰ সভাত অংশ লয়। সাংসদ গগৈয়ে কেন্দ্ৰ আৰু ৰাজ্যত কংগ্ৰেছ চৰকাৰ নাথাকিলেও জনসাধাৰণৰ হৃদয়ত কংগ্ৰেছ আছে বুলি মন্তব্য কৰে।

**শ্ৰীভূমি** জিলাত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহৰ মাজত ব্যাপক তৎপৰতা দেখা গৈছে। কালি বিজেপিৰ নিলাম বজাৰ জিলা পৰিষদৰ প্ৰাৰ্থীগৰাকীৰ হৈ আয়োজিত এখন নিৰ্বাচনী সভাত দলৰ ভালেসংখ্যক শীৰ্ষ নেতাই অংশগ্ৰহণ কৰে।

**যোৰহাট** জিলাৰ টীয়ক বিধানসভা সমষ্টিৰ কুমাৰগাঁও বুথত কালি যোৰহাট জিলা বিজেপিৰ সভাপতি সান্তনু পূজাৰীয়ে আঞ্চলিক পঞ্চায়তৰ প্ৰাৰ্থী প্ৰদীপ কুমাৰ বৰাৰ হৈ প্ৰচাৰ চলায়। জিলাখনৰ প্ৰশাসনে নিৰ্বাচন নিয়াৰিকৈ পৰিচালনাৰ বাবে সকলো ব্যৱস্থা গ্ৰহণ কৰিছে। জিলাখনৰ আয়ুক্তই কালি নিৰ্বাচনৰ পৰিবহণ কোষৰ ভাৰপ্ৰাপ্ত বিষয়া তথা অতিৰিক্ত জিলা আয়ুক্তৰ সৈতে যোৰহাট জিলা ক্ৰীড়া সন্থাৰ খেল পথাৰত উপস্থিত হৈ নিৰ্বাচনী বিষয়াসকলৰ যাতায়াতৰ ব্যৱস্থাসমূহ চোৱাচিতা কৰে।

**কামৰূপ** জিলাত পঞ্চায়ত নিৰ্বাচনৰ বাবে ৰাজনৈতিক দলসমূহে ব্যাপক প্ৰচাৰ চলাইছে। জিলাখনৰ ১৮ খন জিলা পৰিষদ, আঞ্চলিক পঞ্চায়ত সদস্যৰ ৯৬ টা পদ আৰু এহেজাৰ ৫০ গৰাকী পঞ্চায়ত সদস্যৰ বাবে নিৰ্বাচন হ'ব। শাসকীয় বিজেপি, অসম গণ পৰিষদ আৰু ৰাভাহাচং যৌথ সংগ্ৰাম সমিতিয়ে মিত্ৰতাৰে এই নিৰ্বাচনত অৱতীৰ্ণ হৈছে। বিজেপি মিত্ৰজোঁটৰ সমানে জিলাখনত কংগ্ৰেছ, তৃণমূল কংগ্ৰেছ আৰু নিৰ্দলীয় প্ৰাৰ্থীসকলেও প্ৰচাৰ চলাইছে।

**ডিব্ৰুগড়** জিলাৰ ৭ টা বিধানসভা সমষ্টিৰ অন্তৰ্গত ২২ খন জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়ত সদস্য আৰু ৱাৰ্ড সদস্যৰ বাবে ২ মে'ত হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰাৰ্থী আৰু ৰাজনৈতিক দলসমূহৰ ব্যস্ততা বৃদ্ধি পাইছে। জিলাখনৰ মন্ত্ৰী বিমল বৰা, প্ৰশান্ত ফুকনৰ উপৰি কেইবাগৰাকী বিধায়ক আৰু দলীয় নেতাই প্ৰচাৰ অব্যহত ৰাখিছে।

০০০০০০

রাজ্যত বিগত ১০ বছৰত বনানিকৰণৰ বাবদ প্ৰায় ৪২০ কোটি টকা ব্যয় কৰা হৈছে। ২০১১-১২ বিত্তীয় বৰ্ষৰ পৰা ২০২৩-২৪ বিত্তীয় বৰ্ষলৈ ৰাজ্যিক পৰিপূৰক বনানিকৰণ নিধি ব্যৱস্থাপনা আৰু পৰিকল্পনা প্ৰাধিকৰণ অৰ্থাৎ কাম্পাৰ অধীনত গছপুলি ৰোপণ আৰু প্ৰতিপালনৰ বাবে ২৬ হাজাৰ ৬২৮ লাখ টকাৰো অধিক ব্যয় কৰা হৈছে। ৰোপণ কৰা গছপুলিসমূহৰ ৬৫ৰ পৰা ৭৫ শতাংশ

০০০০০০

চিৰাং জিলাৰ কাজলগাঁও থানাৰ অন্তৰ্গত বৰতালোৰা বজাৰত আৰক্ষীয়ে অভিযান চলাই কালি বুজন পৰিমাণৰ মাদক দ্ৰব্যসহ দুজন সৰবৰাহকাৰীক আটক কৰে। বিজনীৰ পৰা মাদক দ্ৰব্যখিনি ক্ৰয় কৰি লৈ যোৱা অৱস্থাত আৰক্ষীয়ে লোক দুজনক আটক কৰে। ধৃত লোক দুজন ধুবুৰী জিলাৰ ঝগৰাৰপাৰৰ আনোৱাৰ হুছেইন আৰু লালচান্দ বাদশ্বাহ বুলি আৰক্ষীয়ে প্ৰকাশ কৰিছে।

০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লক্ষ্ণৌৰ একানা ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত দেলহি কেপিটেলছে লক্ষ্ণৌ ছুপাৰ জায়েণ্টছক ৮ উইকেটত পৰাস্ত কৰে। দেলহি কেপিটেলছে ১৩টা বল বাকী থকা অৱস্থাত দুটা উইকেট হেৰুৱাই ১৬১ ৰাণ কৰি বিজয় সুনিশ্চিত কৰিবলৈ সমৰ্থ হয়। ইয়াৰ পূৰ্বে লক্ষ্ণৌৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অ'ভাৰত ৬ উইকেটৰ বিনিময়ত ১৫৯ ৰাণ সংগ্ৰহ কৰে। আইডেন মাৰ্ক্ৰামে ৫২ আৰু মিচেল মাৰ্ছে ৪৫ ৰানৰ বৰঙণি আগবঢ়ায়। ডেলহিৰ হৈ মুকেশ কুমাৰে সৰ্বাধিক ৪টা উইকেট লাভ কৰে। প্ৰত্যুত্তৰত কে এল ৰাহুলৰ অপৰাজিত ৫৭ আৰু অভিষেক প'ৰেলৰ ৫১ ৰানৰ সহায়ত ১৭ অ'ভাৰ আৰু ৫ টা বলতে লক্ষ্ণৌৱে জয়লাভ কৰে। মুকেশ কুমাৰলৈ প্লেয়াৰ অৱ্ দা মেচৰ বঁটা আগবঢ়োৱা হয়।

প্ৰতিযোগিতাত আজি হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদ মুম্বাই ইণ্ডিয়ানছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

ৰাগবী ইণ্ডিয়া আৰু অসম ৰাগবী এছ'চিয়েচনৰ উদ্যোগত গুৱাহাটীৰ ইন্দিৰা গান্ধী ইনড'ৰ ষ্টেডিয়ামত আজিৰে পৰা দ্বাদশ ছিনিয়ৰ নেচনেল ৰাগবী 7S চেম্পিয়নশ্বিপৰ আয়োজন কৰা হৈছে। এই প্ৰতিযোগিতাত ২৬ খন ৰাজ্যৰ ৫২টা দলে অংশগ্ৰহণ কৰিব। প্ৰতিযোগিতা এশগৰাকী দলীয়া বিষয়া আৰু ৩০ গৰাকী ৰাষ্ট্ৰীয় কাৰিকৰী বিষয়াইও ভাগ ল'ব। আজি আৰু কাইলৈ মহিলাৰ খেলসমূহ অনুষ্ঠিত হ'ব আৰু ২৭ আৰু ২৮ এপ্ৰিলত পুৰুষৰ খেলসমূহ অনুষ্ঠিত হ'ব।

০০০০০০

জম্মু-কাশ্মীৰত সন্ত্ৰাসবাদীৰ নৃশংস আক্ৰমণ আৰু বিশ্বজুৰি হোৱা প্ৰতিক্ৰিয়া, ইউ পি এছ চিৰ ফলাফল, গুৱাহাটী উচ্চ ন্যায়ালয়ত অজ্ঞাত দুৰ্বৃত্তৰ আক্ৰমণৰ ভাবুকি, এজাক বৰষুণত গুৱাহাটীত হোৱা কৃত্ৰিম বানকে ধৰি কেইবাটাও খবৰে আজি গুৱাহাটীৰ পৰা প্ৰকাশিত বাতৰি কাকতৰ প্ৰথম পৃষ্ঠাত স্থান লাভ কৰিছে।

কাশ্মীৰৰ সৌন্দৰ্য উপভোগ কৰিবলৈ যোৱা পৰ্যটকৰ এটা দলৰ ওপৰত সন্ত্ৰাসবাদীৰ নিৰ্বিচাৰ আক্ৰমণৰ বাতৰিটো আজি আটাইকেইখন বাতৰি কাকতে প্ৰথম পৃষ্ঠাত মুখ্য বাতৰিৰূপে প্ৰকাশ কৰিছে। ভিন ভিন শিৰোনামাৰে প্ৰকাশ কৰা বাতৰিটোৰ সৈতে ইতিমধ্যে বিশ্বজুৰি ভাইৰেল হৈ পৰা সন্ত্ৰাসবাদীৰ আক্ৰমণত নিহত স্বামীৰ নিথৰ দেহৰ কাষত বাকৰুদ্ধ হৈ বহি থকা এগৰাকী ভুক্তভোগী মহিলাৰ

আলোকচিত্ৰখনক **অসমীয়া প্ৰতিদিন, নিয়মীয়া বাৰ্তা, দা টাইম্‌ছ অব ইণ্ডিয়া**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। এই ঘটনাৰ পাছতে দুৰ্বৃত্তৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা গ্ৰহণৰ কেন্দ্ৰীয় চৰকাৰৰ স্থিতি তথা বিভিন্ন ৰাষ্ট্ৰপ্ৰধানে আক্ৰমণৰ ঘটনাটো গৰিহণা দিয়াৰ বাতৰিও কাকতসমূহে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

কেন্দ্ৰীয় লোকসেৱা আয়োগৰ কালি ঘোষিত ফলাফলত নগাঁৱৰ ভাস্বত শইকীয়াই ৪৭৪ সংখ্যক স্থান লাভ কৰা বাতৰিটোৱে আজি প্ৰথম পৃষ্ঠাত স্থান পাইছে। **দৈনিক জনমভূমি** কাকতে 'তিনিবাৰকৈ ধাৰাবাহিক সফলতা, ইউ পি এছ্ চিৰ ৪৭৪ সংখ্যক স্থানত নগাঁৱৰ ভাস্বত শইকীয়া', **দৈনিক অগ্ৰদূত** কাকতে 'পূৰ্বতকৈ ৭৮ স্থান উন্নত নগাঁৱৰ ভাস্বত শইকীয়াৰ, তৃতীয়বাৰলৈ প্ৰস্তুতিৰ হেঁপাহ', **অসমীয়া খবৰ** কাকতে 'অসমলৈ গৌৰৱ কঢ়িয়ালে নগাঁৱৰ ভাস্বত শইকীয়াই', ৪৭৪ ৰেংকিঙেৰে উজ্বলিল ইউপি এছ্ চিত' শিৰোনামেৰে বাতৰিটো প্ৰকাশ কৰিছে। কাকতসমূহে লগতে এইবাৰৰ ইউ পি এছ্ চিৰ ফলাফলত শীৰ্ষ পাঁচটা স্থানৰ তিনিটাই মহিলাই দখল কৰাৰ বাতৰিটোতো আলোকপাত কৰিছে।

গুৱাহাটী উচ্চ ন্যায়ালয়তক বোমাৰে উৰুৱাই দিয়া হ'ব বুলি কোনো অজ্ঞাত সংগঠনে প্ৰেৰণ কৰা ই-মেইলৰ পৰিপ্ৰেক্ষিতত কালি আতংকময় পৰিৱেশৰ সৃষ্টি হোৱা বাতৰি এটা **দি আছাম ট্ৰিবিউন**কে ধৰি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

এজাক বৰষুণতে গুৱাহাটীত হোৱা কৃত্ৰিম বান আৰু ইয়াৰ ফলত জনসাধাৰণে ভোগা যাতনাৰ বাতৰিক আজি কেইবাখনো কাকতে প্ৰথম পৃষ্ঠাত স্থান দিছে। বাতৰিটোৰ **দৈনিক অসম** কাকতে 'এজাক মুষলধাৰ বৰষুণতে কাহিল স্মাৰ্টচিটী গুৱাহাটী, চানমাৰিত নিৰ্মীয়মান উৰণসেতুৰ তলত বিদুৎস্পৃষ্ট মহিলা' আৰু **আমাৰ অসম** কাকতে 'এজাক বৰষুণতে পুনৰ উটি-ভাঁহি গ'ল গুৱাহাটী' শিৰোনাম দিছে। অসমে তিনি বছৰত বিদ্যুৎ ক্ৰয়ৰ বাবে ২২ হাজাৰ কোটি টকা ব্যয় কৰা এটা বাতৰিক **দা ছেণ্টিনেল** কাকতে প্ৰথম পৃষ্ঠাত প্ৰকাশ কৰিছে।

০০০০০০

বতৰৰ বতৰা–

স্থানীয় বতৰৰ আগলি বতৰা অনুসৰি অহা ২৪ ঘণ্টাত গুৱাহাটী আৰু ইয়াৰ উপকণ্ঠ অঞ্চলত বতৰ আংশিকভাৱে ডাৱৰীয়া হৈ থকাৰ লগতে বিজুলী-ঢেৰেকনিৰে দুই-এজাক বৰষুণ হোৱাৰ সম্ভাৱনা আছে। আজি গুৱাহাটীৰ তাপমাত্ৰা সৰ্বোচ্চ ৩২ ডিগ্ৰী ছেলছিয়াছ আৰু সৰ্বনিম্ন তাপমাত্ৰা ২৩ ডিগ্ৰী ছেলছিয়াছ হ'ব পাৰে বুলি বৰঝাৰৰ আঞ্চলিক বতৰ বিজ্ঞান কেন্দ্ৰই আগজাননী দিছে।

এই সময়ছোৱাত অৰুণাচল প্ৰদেশ, অসম, মেঘালয় আৰু নাগালেণ্ডৰ ঠাই বিশেষে পাতলীয়া বৰষুণ হোৱাৰ সম্ভাৱনা আছে বুলি বতৰ বিজ্ঞান কেন্দ্ৰই আগলি বতৰা দিছে।

০০০০০০

সমাপ্ত